**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুৱা চাৰে ৭ বজাৰ পৰা পুনৰ ভোটগ্ৰহণ।

২। ৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন, বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত।

৩। দেশৰ অন্যান্য অংশৰ লগতে অসমৰ ৩০ খন চৰকাৰী শিক্ষানুষ্ঠানত আজি নীট-ইউ জি।

৪। জাপানৰ নিম্ন সদনৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত উচ্চ পৰ্যায়ৰ দলৰ আজি আই আই টি গুৱাহাটী আৰু জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ২ ৰানত জয়লাভ।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱা মতে কালি জিলাখনৰ আৰু এটা কেন্দ্ৰত পুনৰভোটগ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। জিলাখনত ভোটগ্ৰহণ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা নীলোৎপল দেৰ-

*(বাইট ঃ নীলোৎপল দেৱ)*

পুৱা চাৰে ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব।

০০০০০০

৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ উপৰি অন্যান্য ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ আজাৰা-ধাৰাপুৰ, গৰল আৰু নগাঁৰত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। নগাঁৰত আয়োজিত প্ৰচাৰ সভাত মন্ত্ৰী কেশৱ মহন্তৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি জাগীৰোড সমষ্টিৰ ঔজাৰি আৰু মায়ঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক

ৰমাকান্ত দেউৰীৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি দক্ষিণ কামৰূপৰ ৰঙামাটি আৰু বিলাসীপাৰাৰ শালকোচাত প্ৰচাৰ সভাত অংশ লয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত বিজেপি, কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলে ব্যাপক প্ৰচাৰ চলাই আছে। কালি ভুৰাকাটা গাঁও পঞ্চায়তৰ অধীনৰ অঞ্চলত বিজেপি আৰু অগপই নিৰ্বাচনী সমদল উলিয়ায়।

কংগ্ৰেছ দলৰ হৈ অসম বিধানসভাৰ বিৰোধী দলপতি তথা দলৰ নেতা দেৱব্ৰত শইকীয়া কালি নলবাৰী জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। তেওঁ বাঁহজানী জিলা পৰিষদ সমষ্টিৰ ছুখন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ প্ৰাৰ্থীৰ সৈতে মত বিনিময় কৰে। শ্ৰীশইকীয়াই বাঁহজানী ঘোগা গাঁও পঞ্চায়ত আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী আৰু ৱাৰ্ড সদস্যা পদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সংবাদ মাধ্যমৰ আগত শ্ৰীশইকীয়াই বিজেপিক সমালোচনা কৰে। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈ, ৰিপুণ বৰা, সাংসদ গৌৰৱ গগৈ, ৰকিবুল হুছেইন, দলৰ নেত্ৰী মীৰা বৰঠাকুৰকে ধৰি নেতাসকলেও প্ৰচাৰ চলাই আছে। একেদৰে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও প্ৰচাৰ অব্যাহত ৰাখিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কালি নলবাৰীৰ পশ্চিম বৰভাগ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

oooooo

সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জি অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ বাবে ২২ লাখ ৭০ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে।

অসমত এইবাৰ ৩০ খন চৰকাৰী মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কেন্দ্ৰীয় বিদ্যালয়ত নীট পৰীক্ষা অনুষ্ঠিত হ'ব। চোৰাংচোৱা সংস্থাৰ তদন্তত নীট পৰীক্ষাৰ কেন্দ্ৰত ইতিপূৰ্বে অনিয়ম হোৱা বুলি ধৰা পৰালৈ চাই মুখ্যমন্ত্ৰীয়ে এন টি এ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি কেৱল চৰকাৰী শিক্ষানুষ্ঠানতহে পৰীক্ষা কেন্দ্ৰ স্থাপন কৰাটো নিশ্চিত কৰিছে। পৰীক্ষা হ'বলগীয়া কেন্দ্ৰসমূহত ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি কেন্দ্ৰসমূহত আই এ এছ আৰু এ ছি এছ বিষয়াক তদাৰকৰ দায়িত্ব দিছে। আৰক্ষী অধীক্ষকসকলকো সংশ্লিষ্ট জিলাৰ দায়িত্ব দিয়া হৈছে। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনো ধৰণৰ অনিয়ম সংঘটিত হ'ব নোৱাৰে তাৰ বাবে নিশ্চিদ্ৰ ব্যৱস্থাৰ দিহা কৰা হৈছে।

oooooo

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল কালি তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হয়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু মুখ্য সচিব ড০ ৰবি কোটাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত দলটোক আদৰণি জনায়। দলটোক বিমান বন্দৰৰ পৰা পোনে পোনে অসম বিধানসভা ভৱনলৈ লৈ অহা হয়। বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটোৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপানৰ এই দলটোক আদৰণি জনাই কয়, যে এই ভ্ৰমণে অসম আৰু জাপানৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি জাপানী কোম্পানীসমূহক অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগ কৰাৰ প্ৰতি উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ

কৰে। তেওঁ লগতে কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত জাপানৰ সৈতে সহযোগিতাৰ বাবে লোৱা পদক্ষেপক দলটোৰ এই ভ্ৰমণে নতুন গতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীক কালি অসমৰ ব্যৱসায়িক তথা ঔদ্যোগিক পৰিৱেশৰ বিষয়ে অৱগত কৰে। তেওঁ কামৰূপ জিলাৰ আমিনগাঁৱত থকা আছিয়ান ৰান টেকনিকেল চেণ্টাৰত জাপানী ভাষা আৰু পৰিক্ষণ কেন্দ্ৰ আৰম্ভ কৰাৰ বাবে চলোৱা প্ৰস্তুতিৰ বিষয়েও অধ্যক্ষগৰাকীক জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰতিনিধি দলটোৰ অসম ভ্ৰমণৰ প্ৰতি আস্থা প্ৰকাশ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ক অৱগত কৰে।

উল্লেখযোগ্য যে জাপানৰ এই প্ৰতিনিধি দলটোৰ সন্মানাৰ্থে বিধানসভাৰ চৌহদত কালি সাংস্কৃতিক অনুষ্ঠান তথা নৈশ ভোজৰ আয়োজন কৰা হয়। দলটোৱে আজি আই আই টি গুৱাহাটী আৰু জাগীৰোডত নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। দলটোৱে স্বাস্থ্য, শিক্ষা, মানৱ সম্পদ সন্দৰ্ভত মুখ্যমন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষৰ সৈতে আলোচনাত মিলিত হ'ব। অসমত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো কাইলৈ অসমৰ পৰা উভতি যাব।

oooooo

আকাশবাণীযোগে প্ৰচাৰিত অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত অনুষ্ঠানত কালি কেবাগৰাকীও আবৃত্তিকাৰে আবৃত্তিক বিদ্যায়তনিক দিশত তথা পৰিবেশ্য কলা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ, শিক্ষাবিদ ড০ অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে আবৃত্তিয়ে কিদৰে ধ্ৰুপদী অসমীয়া ভাষাৰ মৰ্যাদা অক্ষুন্ন ৰাখিব সেই বিষয়ে প্ৰকাশ কৰে।

আবৃত্তিকাৰ জুলিয়ানা বেগমে অসমীয়া ভাষা কোনো গুণে কম নহয় বুলি উল্লেখ কৰি এই ভাষাৰ মাধ্যমত আবৃত্তিৰ উমৈহতীয়া পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত বুলি মন্তব্য কৰে।

**(বাইট)**

অধ্যাপিকা ড০ বিনীতা বৰা দেবচৌধুৰীয়ে আবৃত্তিক বিদ্যায়তনিকভাৱে চৰ্চা কৰাৰ লগতে পৰিবেশ্য কলা হিচাপে ইয়াৰ জৰিয়তে স্ব-নিয়োজনৰ বাট মুকলি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

**(বাইট)**

অনুষ্ঠানত ড০ অমৰজ্যোতি চৌধুৰীয়ে আবৃত্তিৰ বিশ্বজনীন ধাৰাৰ লগতে অসমীয়া আবৃত্তিৰ স্বকীয় ধাৰা এটা অব্যাহত ৰখাত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত চৰকাৰ আৰু ৰাইজক একত্ৰিত হৈ কাম কৰিবলৈ তেওঁ আহ্বান জনায়।

**(বাইট)**

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মুম্বাইত অনুষ্ঠিত ৱেভছ্ ২০২৫ সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২ ৰানত পৰাস্ত কৰে। বেংগালুৰুৱে প্ৰথমে বেট ধৰি ৰোমাৰিঅ' ছেফাৰ্ডৰ আকৰ্ষণীয় অৰ্ধশতকৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৩ ৰান সংগ্ৰহ কৰে। ছেফাৰ্ডে ১৪ টা বলত ৫৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। চেন্নাইৰ হৈ মথেচা পথিৰানাই ৩ টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। চেন্নাইৰ হৈ আয়ুষ ম্হাত্ৰে ৪৮ টা বলত ৯৪ ৰান কৰে। ৰবীন্দ্ৰ জাডেজাই ৪৫ টা বলত ৭৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ লুংগি এনগিডিয়ে ৩ টা উইকেট অৰ্জন কৰে। ছেফাৰ্ডক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ জয়ৰ সুবাদত বেংগালুৰুৱে ১৬ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হয়। চেন্নাই ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইডেন গাৰ্ডেনছত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া হিচাপে পাকিস্তানৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা ব্যৱস্থাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে **পেহেলগাম কাণ্ডৰ পিছত ইছলামাবাদৰ বিৰুদ্ধে কঠোৰ স্থিতি নতুন দিল্লীৰ ঃ পাকিস্তানেৰে সকলো বাণিজ্য বন্ধ ঘোষণা** নামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো দৈনিক অসম কাকতেও **পাকিস্তানৰ পৰা বন্ধ সকলো আমদানি ঃ উত্তেজনাৰ মাজতে বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ পাকিস্তানৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো নিয়মীয়া বাৰ্তা কাকতেও মুখ্যবাতৰিৰ স্থান দিছে।

দৈনিক জনমভূমি কাকতে উদ্ভাৱনীমূলক গৱেষণা কৰ্মৰ বাবে অয়ন শৰ্মালৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মানীয় মেলন এচি এল এছ  ডিজাৰ্টেচন ইন'ভেছন ফেল'শ্বিপ ২০২৫ আগবঢ়োৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশত মহিলাৰ সম-অধিকাৰ প্ৰদানৰ উদ্দেশ্যে ড০ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তী চৰকাৰ চলোৱা প্ৰস্তুতিক লৈ দেশখনৰ মৌলবাদী সংগঠনসমূহ ক্ষুণ্ণ হৈ পৰাৰ বাতৰিক অসমীয়া খবৰ কাকতে মহিলাৰ সম-অধিকাৰৰ বিৰুদ্ধে ঢাকাৰ ৰাজপথত জনতাৰ উত্তাল প্ৰতিবাদ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ ৩১৯ জনীয়া প্ৰথমটো হজ যাত্ৰীৰ দল মদিনাত উপস্থিত হোৱাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অনলাইন ট্ৰেডিং কেলেংকাৰীৰ সৈতে জড়িত বিশাল ফুকন আৰু তাৰ্কিক বৰাক কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া বাতৰিক আমাৰ অসম কাকতে চুমিতে জেলতেই কাৰামুক্ত হ'ল বিশাল শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ভাৰতে পাকিস্তানৰ পৰা প্ৰত্যক্ষ আৰু পৰোক্ষ আমদানি নিষিদ্ধ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দা ছেণ্টিনেল** কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনৈতিক সমৰ্থন বৃদ্ধিয়ে অসমৰ উন্নয়ন ত্বৰান্বিত কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মনিপুৰ, মিজোৰাম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত